**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-05-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

## CM ASSEMBLY / RNU (26-05-2026) NIGHT

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উন্নয়ন, সুশাসন, আৰু জনকল্যানৰ জৰিয়তে এখন শক্তিশালী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসম গঢ়ি তোলাটোৱে ৰাজ্য চৰকাৰৰ মূল লক্ষ্য বুলি অভিহিত কৰিছে। বিধানসভাত আজি ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত অংশগ্ৰহণ কৰি ড০ শৰ্মাই কয়, যে অৰ্থনীতিৰ পৰা স্বাস্থ্য, যুৱ শক্তিৰ পৰা সামাজিক সম্প্ৰীতি, প্ৰতিটো ক্ষেত্ৰতেই ৰাজ্যই নতুন দিশত আগবাঢ়িবলৈ সমৰ্থ হৈছে। তেওঁ কয়, যে চৰকাৰে যুৱ সমাজ আৰু মহিলাৰ সুৰক্ষাত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি আহিছে। চৰকাৰ ২ লাখ চৰকাৰী চাকৰি দিয়াৰ সংকল্প পূৰণ দিশে দৃঢ়তাৰে আগবাঢ়িছে বুলি তেওঁ মন্তব্য কৰে। ড০ শৰ্মাই কয় যে বিগত ৫ বছৰত অসমৰ অৰ্থনীতি যথেষ্ট শক্তিশালী হৈছে আৰু চলিত বৰ্ষত ৰাজ্যিক মুঠ ঘৰুৱা উৎপাদন ৮ লাখ ৭১ হাজাৰ কোটি টকা স্পৰ্শ কৰাৰ সম্ভাৱনা আছে। ড০ শৰ্মাই কয় যে ২০২৯ চনৰ ভিতৰত অসমে ১০ লাখ কোটি টকাৰ বৃহৎ অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰিব বুলি তেওঁ আশাবাদী। নীতি আয়োগৰ তথ্য অনুসৰি ৰাজ্যৰ ৩৫ শতাংশ জনসংখ্যাই দৰিদ্ৰ সীমাৰেখাৰ তলৰ শ্ৰেণীৰ পৰা ওলাই আহিবলৈ সমৰ্থ হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে ৰাজ্যত প্ৰসুতিৰ মৃত্যুৰ হাৰ ৮৪ লৈ হ্ৰাস পাইছে আৰু এই হাৰ ৰাষ্ট্ৰীয় গড় ৮৮ তকৈ কম। ৰাজ্যৰ স্বাস্থ্য খণ্ডত দ্ৰুত বিকাশ হৈছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে বজালী, গোৱালপাৰা আৰু হাইলাকান্দিকে ধৰি ১৪ খন চিকিৎসা মহাবিদ্যালয় ইতিমধ্যে কাৰ্যক্ষম হৈ আছে আৰু ১১ খনৰ নিৰ্মাণকাৰ্য চলি আছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে প্ৰতিখন জিলাত এখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ লক্ষ্যৰে আগবাঢ়িছে। চৰকাৰে অহা ৫ বছৰত এখন জিলা - ৩ টা প্ৰতিষ্ঠান অৰ্থাৎ প্ৰতিখন জিলাত এখন চিকিৎসা মহাবিদ্যালয়, এখন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু এখন বিশ্ববিদ্যালয় স্থাপনৰ দৃষ্টিভংগী আগুৱাই লৈ যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী শৰ্মাই নৱ নিৰ্বাচিত  বিধায়ক বিশেষকৈ যুৱ বিধায়কসকলক অভিনন্দন জনায়। তেওঁ বিধায়কসকলক জনসাধাৰণৰ আস্থা বজাই ৰাখি কাম কৰি যাবলৈ আহ্বান জনায়। ড° শৰ্মাই সংসদত ৰাষ্ট্ৰপতিৰ ভাষণৰ মৰ্যাদাৰ কথা উল্লেখ কৰি কয় যে সংসদৰ প্ৰতিগৰাকী সদস্যই ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি শান্তিপূৰ্ণভাৱে তেওঁৰ ভাষণ শুনে। অসমেও বিধানসভাৰ দৰে সাংবিধানিক অনুষ্ঠানৰ প্ৰতি একে সন্মান প্ৰদৰ্শনেৰে দেশবাসীৰ আগত সুস্থ নিৰ্দশন দাঙি ধৰিব পাৰে বুলি তেওঁ কয়।

**বাইট (চি এম)**

০০০০

অসম ভ্ৰমণলৈ অহা ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং টবগেই আজি গুৱাহাটীৰ নীলাচল পাহাৰ অৱস্থিত মা-কামাখ্যা মন্দিৰ দৰ্শন কৰে। কালিয়েই গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ভূটান আৰু উত্তৰ-পূব ভাৰত বিশেষকৈ অসমৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰা আৰু সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বিষয়ে লোক ভৱনত হোৱা এখন বৈঠকত অসম আৰু ভূটানৰ উমৈহতীয়া স্বাৰ্থত দুয়োপক্ষৰ মাজত সহযোগিতা বৃদ্ধি আৰু সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে বহুকেইটা বিষয় সামৰি লোৱা হয়। চুবুৰীয়া ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণক লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ভাৰত আৰু ভূটানৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰতো অসমৰ ভূমিকা গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে উপ-আঞ্চলিক সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ লগতে উত্তৰ-পূবত বিনিয়োগ আৰু বহনক্ষম উন্নয়নৰ বাবে নতুন সুযোগ মুকলি কৰিব বুলিও তেওঁ উল্লেখ কৰে।

০০০০

বজালী জিলা প্ৰাথমিক শিক্ষা বিভাগে মোবাইল ফোন ব্যৱহাৰৰ ফলত পাঠদানত ব্যাঘাত জন্মাৰ প্ৰতি লক্ষ্য ৰাখি আৰু শৈক্ষিক পৰিবেশ অধিক উন্নত কৰাৰ উদ্দেশ্যে গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। সেই অনুসৰি এতিয়াৰে পৰা শিক্ষকে শ্ৰেণীকোঠালৈ মোবাইল ফোন নিব নোৱাৰিব। শিক্ষা বিভাগে জাৰি কৰা নতুন নিৰ্দেশনা অনুসৰি শ্ৰেণীকোঠাত পাঠদান চলি থকাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীসকলে ব্যক্তিগত কামৰ বাবে মোবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰিব। চৰকাৰী নিৰ্দেশনা পালন কৰিবলগীয়া থাকিলে বা বিভাগীয় জৰুৰী কাম থাকিলেহে শ্ৰেণীকোঠাত মোবাইল ব্যৱহাৰৰ অনুমতি প্ৰদান কৰা হ'ব বুলি নিৰ্দেশনাত স্পষ্টভাৱে উল্লেখ কৰা হৈছে। কোনো শিক্ষকে এই নিয়ম উলংঘা কৰিলে তেওঁৰ বিৰুদ্ধে জিলা প্ৰাথমিক শিক্ষা বিষয়াই কঠোৰ বিভাগীয় আৰু অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০

ঃঃ সমাপ্ত ঃঃ